# নিতাই-পানিদিহিং অঞ্চলৰ কটিয়ৰী গাঁৱৰ দেউৰীসকলৰ সাজপাৰ আৰু আ-অলংকাৰঃ এটি সমীক্ষা।

( অসমীয়া সন্মান বিষয়ৰ ষষ্ঠ ষান্মাসিকৰ DSE-4(B) পাঠ্যক্ৰম অনুসৰি যুগুত কৰা প্ৰকল্পৰ


**<u>প্ৰস্তুতকৰ্তা</u>**

**গিতাশ্ৰী ভৰালী**

**অসমীয়া বিভাগ**

**ৰোল নং ঃ- 304100~~03~~26**

**ৰেজিষ্ট্ৰেশন নং ঃ- S2131~~8~~79 04**

## হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়

নিতাইপুখুৰী, শিৱসাগৰ

# অসমীয়া বিভাগ
# হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়, নিতাইখুৰী

## প্ৰমাণ পত্ৰ

শ্ৰীমতী গীতাশ্ৰী ভৰালী , ৰোল নং 30410003 স্নাতক কলা শাখাৰৰ ষষ্ঠ যান্মাসিকৰ ছাত্ৰি। তেওঁ মোৰ তত্ত্বাৱধানত অসমীয়া সন্মান বিষয়ৰ DSE-4(B) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে 'তেতেলিগুৰি গাঁৱৰ নেপালীসকলৰ জন্ম, মৃত্যু আৰু ব্ৰতবন্ধ, বিবাহ সম্পৰ্কীয়া লোকাচাৰ বিষয়ত অধ্যয়ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।
তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

20/05/2024

তত্ত্বাৱধায়ক
মুৰব্বী অধ্যাপিকা
অসমীয়া বিভাগ
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়, নিতাই পুখুৰী
শিৱসাগৰ, অসম

Head of Deptt. Assamese
H.D.G. College
Nitaipukhuri, Sivasagar

## কৃতজ্ঞতা জ্ঞাপন

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰবী অধ্যাপক ড° নিভা দাস বাইদেউক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বাইদেউৰ সিদ্ধান্ত আৰু তত্ত্বাবধানত এই অধ্যয়নটো কৰিবলৈ সবিধা পালোঁ।

ইয়াৰ পিছতে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° পিকুমণি চুতীয়া বাইদেউ, ড° মৃদুস্মিতা দত্ত বাইদেউ, শ্ৰীমতী শিল্পীশিখা গগৈ বাইদেউলৈ ও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আপোনালোকৰ সু-দিহাপৰামৰ্শ আৰু সহায়-সহযোগীতাতহে এই প্ৰকল্প প্ৰস্তুত কৰাত সফল হৈছোঁ।

মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰ প্ৰাপ্ত মূৰব্বী অধ্যাপক ড° দিগন্ত গগৈ ছাৰক অশেষ কৃতজ্ঞতা কৰিছোঁ। ছাৰৰ বহুমূলীয়া দিহাঃপৰামৰ্শ আৰু সহায়তহে প্ৰকল্পটোৱে পূৰ্ণ ৰূপ পাইছে।

এই প্ৰকল্পটোৰ ডি.টি.পি কৰি দিয়া শ্ৰী নগেন ভূএগ আৰু শ্ৰী প্ৰবাল গগৈক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত প্ৰকল্পটো প্ৰস্তুত কৰোঁতে সহায় আগবঢ়োৱা প্ৰতিজন তথ্যদাতা আৰু শুভাকাংশীক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

গীতাশ্ৰী চেতলী

# সূচীপত্ৰ


০.০ অৱতাৰণিকা ১

০.১ বিষয়ৰ পৰিচয় ২

০.২ অধ্যয়নৰ প্ৰয়োজনীয়তা ২

০.৩ অধ্যয়নৰ পৰিসীমা ২

০.৪ অধ্যয়নৰ পদ্ধতি ২

১.০ কটিয়ৰী গাঁৱৰ দেউৰী সকলৰ চমু পৰিচয় ২-৯

- ১.১ দেউৰীসকলৰ সাজ-পাৰ
- ১.২ বস্ত্ৰ তৈয়াৰ কৰা সঁজুলি
- ১.৩ দেউৰীসকলৰ আ-অলংকাৰ

২.০ সিদ্ধান্ত ৯

৩.০ উপসংহাৰ ৯

৪.০ প্ৰসংগসূত্ৰ ৯

৫.০ গ্ৰন্থপঞ্জী ৯

তথ্য দাতাৰ তালিকা ১০

আলোকচিত্ৰ ১০

## <u>অৱতৰনিকা</u>

অসম এখন বিভিন্ন জাতি-জনগোষ্ঠীয়ে ভৰা বৈচিত্র্যময় দেশ। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ ভিতৰত এটা অন্যতম জনগোষ্ঠী হ'ল দেউৰীসকল। তেওঁলোক শাক্ত পন্থাৰ অন্তৰ্গত।

দেউৰী শব্দৰ উৎ পত্তি প্ৰধানকৈ 'দেৱ' নামৰ পৰা হৈছে বুলি অনুমান কৰা হয়। এই নাম সম্পৰ্কে এটি কিম্বদন্তি আছে যে এসময়ৰ মহামায়া তাম্ৰেশ্বৰী গোসাঁনীয়ে তেওঁৰ মায়া চলনাৰে প্ৰকাশ কৰি জগতৰ কল্যাণ সাধনাৰ্থে শিলৰূপে দিবাং নৈত ওপঙি আছিল। তাকে দেখি ভীষ্মক ৰজাই হেস্তৰায়াৰ শিলাৰূপিনী দেৱীমূৰ্ত্তিখন যথাস্থানলৈ নিবলৈ আদেশ কৰিলে। তেওঁলোকেও দেৱীমূৰ্ত্তি জনাক নিব তাৰ পৰা নোৱাৰিলে। শেষত নিৰূপায় হৈ তেওঁ ঢোল কোবাই সকলোকে জনাই দিয়ে যে যিয়ে দেৱীমূৰ্ত্তিজনাক নিব পাৰিব সেয়ে তেওঁৰ ৰাজ পূৰুহিত হৈ বিখ্যাত বুঢ়া-বুটী, বলিয়া বাবা আৰু তাম্ৰেশ্ৰৰী মন্দিৰৰ পূজাৰী হ'ব। এই কথা প্ৰচাৰ হোৱাৰ লগে লগে নানান জাতিৰ বিধে বিধে মানুহ আহি মূৰ্ত্তি নিবলৈ চেষ্টা কৰাত ই ইমান গধুৰ হৈ পাৰিল যে কুৰি পঁচিছজন মানুহেও থকা ঠাইৰ পৰা লৰচৰ কৰিব নোৱাৰিলে। অৱশেষত চাৰিজন চুতিয়া জনগোষ্ঠীৰ লোকে গা-ধুই শুতি সংযম হৈ মাতৃক স্তুতি মিনতি কৰেহি। তেওঁলোকৰ অত্যন্ত পৰিশুদ্ধ আৰু পৱিত্ৰ অন্তৰৰ সমবেত প্ৰাৰ্থনা বাণীয়ে দেৱীৰ অন্তৰ পৰশিলে। দেৱীমূৰ্ত্তি হালি-জালি আপোনা-আপুনি পাতল হ'ল। তেতিয়া চাৰিজন চুতিয়াই দেৱী মূৰ্ত্তি গোসাঁনীক দোলাত তুলি লৈ গৈ তাম্ৰেশ্বৰী মন্দিৰত থাপিলে। তেতিয়াৰ পৰা এই চাৰিজনক চুতিয়াসকলৰ ৰাজপুৰোহিত পতা হয় আৰু এই সকলক দেউৰী বুলি কোৱা হয়। কাৰণ সৰ্বভূতে অৱস্থিত পূৰ্ণ ব্ৰক্ষৰূপী এই আত প্ৰাকৃত বা অতিজাগতিক সমশক্তিক উপাসনা কৰোঁতা সকলেই দেউৰী।

দেউৰীসকলৰ প্ৰধান খেল বা ফৈদ চাৰিটা। যেনে - (১) দিবঙীয়া, (২)টেঙাপনীয়া, (৩) বৰগঞা আৰু (৪) পাটৰ গঞা।

দেউৰীসকলৰ বাস কৰা পদ্ধতিৰ কথা ক'বলৈ গ'লে তেওঁলোকে গাঁপাতি চাংঘৰত বায় কৰা প্ৰথা অতি পুৰণি কালৰ পৰা চলি আহিছে। কাঠৰ জখলাৰে উঠি ঘৰত সোমায়ে প্ৰথমে পোৱা যায় সুৰচনী কোঠলী। এই কোঠালিটো গৃহ দেৱতাৰ নামত ৰখা হয়। ঘৰৰ একেবাৰে সিমূৰত থাকে ৰান্ধনিশাল। তেওঁলোকৰ বেজৰ এক বিশেষ পদ্ধতিৰে নিৰ্মিত **'মেহেঙা'** নামৰ সঁজুলিৰ ওপৰত ভাতৰ কাঁহী থৈ ভাত খায়।

দেউৰীসকল সাধাৰণতে কৃষিজীৱি। তেওঁলোকৰ জীৱিকাৰ ঘাই উপায়েই হৈছে কৃষি। বিশেষকৈ ধান, মাহ, সৰিয়হ, আলু, কচু, শা-পাচলি আদিৰ খেতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই তেওঁলোকে জীৱিকা নিৰ্বাহ কৰে।

ধৰ্মত দেউৰীসকল হিন্দু। হিন্দু শাস্ত্ৰত উল্লিখিত দেৱ-দেৱীসকলক এওঁলোকে আত প্ৰাচীন কালৰ পৰা অতি শ্ৰদ্ধা-ভক্তি আৰু বিশ্বাসেৰে উপাসনা কৰি আহিছে। দেউৰীসকলৰ তিনিটা খেলৰ ভিতৰত দিবঙীয়া খেল কুণ্ডিমামাক, টেঙাপনীয়া খেলে তাম্ৰেশ্বৰী মাতৃক পূজা কৰে। ধৰ্মোৎসৱ হিচাবে এওঁলোকে পূৰণি কালৰ পৰা প্ৰধানকৈ তিনিটা উৎসৱ পালন কৰি আহিছে। সেইকেইটা হ'ল -

১) বহাগ বিহু

২) মাঘ বিহু

৩) অম্বুবাচী পূজা-উৎসৱ বা 'সাত-অ-চুবদাবেবা' পৰম্পৰা।

দেউৰীসকলৰ ধৰ্মীয় কাম-কাজ সম্পূৰ্ণ শাক্ত পন্থীয়। বিভিন্ন পূজাত ৰলি বিধানৰ ব্যৱস্থা আছে।

বিবাহৰ পদ্ধতিৰ বিষয়ে ক'বলৈ হ'লে বিবাহ হ'ল এক পবিত্ৰ বন্ধন। টেঙাপনীয়া, বৰগঞা আৰু দিবঙীয়া দেউৰীসকলৰ এই তিনি ভিন্ন খেল বা ফৈদৰ ডেকা গাভৰুৰ মাজত বিয়া বাৰু হয়। দেউৰীসমাজত প্ৰচলিত তিনি প্ৰকাৰৰ বিয়া আৰু উৎসৱৰ আয়োজন কৰা হয়। সেইসমূহ হৈছে -

১) বৰবিয়া।

২) মাজুবিয়া আৰু সৰুবিয়া।

৩) পলুৱাই অনা বিয়া।

**০.১ বিষয়ৰ পৰিচয় ঃ-**

দেউৰী জনগোষ্ঠী হৈছে অসমৰ অন্য গোষ্ঠীসকলৰ ভিতৰত এটা অন্যতম জনগোষ্ঠী। তেওঁলোকৰ নিজা নিজা ভাষা-সংস্কৃতি, ৰীতি-নীতি আছে। ঠিক সেইদৰে তেওঁলোকৰ নিজা নিজা আ-অলংকাৰ, সাজ-পাৰ প্ৰস্তুত প্ৰণালী আৰু পিন্ধন প্ৰণালী স্বকীয় বৈশিষ্ট আছে।

এই অধ্যয়নত শিৱসাগৰ জিলাৰ অন্তৰ্গত কটিয়ৰী গাঁৱৰ দেউৰীসকলৰ সাজ-পাৰ প্ৰস্তুত প্ৰণালী আৰু পিন্ধন পদ্ধতি আৰু তেওঁলোকে ব্যৱহাৰ কৰা আ-অলংকাৰ বিষয়ে বিশ্লেষণ কৰা হৈছে।

**০.২ অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ-**

অসম এখন বিভিন্ন জাতি - জনগোষ্ঠীৰে ভৰা বৈচিত্ৰ্যময় ৰাজ্য। এই বিভিন্ন জাতি-জনগোষ্ঠী সমূহৰ নিজা নিজা ভাষা, সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰা, সাজ-পাৰ, আ-অলংকাৰ আছে। এই অধ্যয়নৰ জৰিয়তে অসমৰ এটা অন্যতম জনগোষ্ঠী দেউৰীসকলৰ পৰম্পৰাগত সাজ-পাৰ আ-অলংকাৰসমূহৰ বিষয়ে জানিব পৰা হ'ব। বিশেষভাৱে শিৱসাগৰ জিলাৰ পানীদিহিং মৌজাৰ কটিয়ৰী গাঁৱত বাস কৰা টেঙাপনীয়া ফৈদৰ দেউৰীসকলৰ সাজ-পাৰ আৰু আ-অলংকাৰৰ বিষয়ে এই প্ৰকল্পটো অধ্যয়ন কৰা হৈছে।

**০.৩ অধ্যয়নৰ পৰিসীমা ঃ-**

অধ্যয়নৰ পৰিসৰ হিচাপে শিৱসাগৰ জিলাৰ অন্তৰ্গত কটিয়ৰী গাঁৱৰ দেউৰী জনগোষ্ঠীক বাছি লোৱা হৈছে। সামহিকভাৱে জনগোষ্ঠীটোৰ বিভিন্ন দিশ অধ্যয়ন নকৰি কেৱল কটিয়ৰী গাঁৱত বাস কৰা টেঙাপনীয়া ফৈদৰ দেউৰীসকলৰ সাজ-পাৰ আ-অলংকাৰৰ বিষয়ে এই প্ৰকল্পটো অধ্যয়ন কৰা হৈছে।

**০.৪ অধ্যয়নৰ পদ্ধতি ঃ-**

এই বিষয়টো প্ৰস্তুত কৰোতে বৰ্ণনাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। দেউৰীসকলৰ সাজ-পাৰ আৰু আ-অলংকাৰ সমূহৰ পৰিচয় প্ৰদান কৰিবলৈ এই অধ্যয়নত চেষ্টা কৰা হৈছে। দেউৰী পুৰুষ মহিলাসকলে ব্যৱহাৰ কৰা সাজ-পাৰ আৰু আ-অলংকাৰসমূহৰ ব্যৱহাৰ আৰু প্ৰস্তুত প্ৰণালি সম্পৰ্কে অধ্যয়ন কৰাৰ ক্ষেত্ৰত বৰ্ণনাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

মূলত মুখ্য আৰু গৌণ দুটা উৎসৰ পৰা অধ্যয়নৰ সমলসমূহ আহৰণ কৰা হৈছে। মুখ্য উৎস হিচাপে ক্ষেত্ৰ-অধ্যয়নৰ জৰিয়তে প্ৰাপ্ত সমলসমহক লোৱা হৈছে আৰু গৌণ উৎস হিচাপে দেউৰী জনগোষ্ঠীৰ সম্পৰ্কে বিভিন্ন গৱেষকসকলে প্ৰাপ্ত কৰা গ্ৰন্থৰাজিক নিৰ্বাচন কৰা হৈছে।

**১.০ দেউৰী সকলৰ পৰিচয়ঃ-**

অতীতৰ পৃথিৱীৰ বুকুত মানুহে বসবাস কৰিবলৈ লোৱাৰে পৰা এঠাইৰ পৰা আন ঠাইকৈ গৈ নতুননত্বৰ সন্ধান কৰিছিল। সময়ৰ বুকুত আৰণ্যিক চিকাৰী-জীৱনৰ পৰা ক্ৰমে অন্য উন্নত জীৱন ধাৰালৈ পৰিৱৰ্তিত হোৱাৰ লগে লগে সেই পৰিভ্ৰমণৰ সময়ছোৱাত জীৱন-জীৱিকাৰ বাবে খেতিপথাৰ উপযোগকৈ সুচল ঠাইত পলসুৱা সাৰুৱা অঞ্চল বিচাৰি লৈছিল। অসমৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী দেউৰীসকলে হয়তো এনেকৈ বাসস্থান সলায় সলায়েই খ্ৰীষ্টপূৰ্ব বহু যুগৰ আগতে এৰেম কেৰেমৰ পৰা আহি জয়ধামত (বৰ্তমানৰ অৰুণাচল প্ৰদেশ) বাসস্থান পাতিছিলিহি। তেওঁলোকৰ হুঁচৰি গীতত আছে ঃ

এৰেমত এৰিলো কেৰেমত ধৰিলো
জয়ধামত পাতিলো থান।
জয়ধামত পৰ্ব্বতৰ পৰা চাই পঠিয়ালো
শদিয়াৰ বাটতে শুৰা
তাৰ পাছতে চাই পঠিয়ালো
শদিয়াৰ পুতলা ঘোঁৰা।

ইয়াৰ পৰা অনুমান কৰিব পৰা যায় যে দেউৰীসকল জয়ধামৰ পৰা আহি শদিয়াত বসবাস কৰিছিল। এই অধ্যয়নত কটিয়ৰী গাঁৱৰ দেউৰীসকলৰ ওপৰত অধ্যয়ন কৰা হৈছে। কটিয়ৰী গাঁৱত দেউৰী সকলৰ মুঠ জনসংখ্যা হ'ল ১৫৮৩ জন। ইয়াৰে মহিলাৰ সংখ্যা ৬৫৩ আৰু পুৰুষৰ সংখ্যা ৬৩০ আৰু শিশুৰ সংখ্যা ৩০০।

বিভিন্ন নৃগোষ্ঠীয় প্ৰজাতিৰ বিভিন্ন জনগোষ্ঠীৰে অসমৰ সমাজ সংস্কৃতি গঠিত। জনজাতীয় অজনজাতীয় অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত এক সমৃদ্ধ সাংস্কৃতিক পৰম্পৰা বিদ্যমান। সকলো জনগোষ্ঠীৰে নিজা নিজা কৃষি সংস্কৃতি, উৎস- পাৰ্বন, সাজ-পাৰ, আ-অলংকাৰ, জীৱিকা প্ৰণালী আদি বেলেগ বেলেগ। অসমত বাসকৰা বিভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত এটা অন্যতম জনগোষ্ঠী হ'ল দেউৰী। তলত দেউৰীসকলৰ আ-অলংকাৰ আৰু সাজ-পাৰ সম্পৰ্কে আলোচনা কৰা হ'ল-

## ১.১ সাজ-পাৰ ঃ

বস্ত্ৰ পৰিধান সভতাৰ মাপ-কাঠি। শীত-তাপ নিয়ন্ত্ৰণ সজ্জা নিবাৰণ আৰু সৌন্দৰ্য্যবোধৰ বাবে মানুহে বস্ত্ৰ পৰিধান কৰে। বস্ত্ৰ সমূহ মানুহে ঘৰতে প্ৰস্তুত কৰে নতুবা উদ্যোগত প্ৰস্তুত কৰে।

দেউৰী জনগোষ্ঠীৰ মাজত বস্ত্ৰ তৈয়াৰ আৰু পৰিধানৰ ক্ষেত্ৰত স্বকীয়তা দেখিবলৈ পোৱা যায়। দেউৰী মহিলাসকল বস্ত্ৰ তৈয়াৰ কৰা কামত পাকৈত। মহিলাসকলে গছৰ কপাহ, এৰী মুগাৰ আদিৰ পৰা সূতা কাটি বস্ত্ৰ তৈয়াৰ কৰি লয়। তলত দেউৰী সকলৰ সাজ-পাৰ সমূহৰ নাম বৰ্ণনা কৰা হ'ল -

### গামোচা (বচে) ঃ

দেউৰী জনগোষ্ঠীৰ তিনিটা ফৈদৰ সচৰাচৰ টেঙাপনীয়া আৰু বৰগঞা ফৈদে বগা ৰঙৰ গামোচা ব্যৱহাৰ কৰে। দিবঙীয়া ফৈদে বেলেগবেলেগ ৰঙৰ গামোচা ব্যৱহাৰ কৰে। দেউৰী মহিলাই প্ৰস্তুত কৰা গামোচাখন দীঘলে পাঁচ ফুট আৰু পুতলে দুই ফুট। এইয়া সাধাৰণতে সমাজত গামোচা তৈয়াৰ কৰা দেউৰীসকলৰ বিজ্ঞানসন্মত জোখ। গামোচাখনৰ দীঘটোৰ দুই মুৰে সূতাবোৰ ওলায় নাযাবলৈ আৰু গামোচাখন শক্তিশালী হ'বলৈ পুলি আৰু শেল দিয়ে। শেল গামোচাখনৰ দুকাষে এক ইঞ্চিমান বহলকৈ থাকে। পুলিবোৰ শেলৰ ভিতৰত ৬ টা আৰু বাহিৰত ৪ টাকৈ থাকে। মুঠতে দুটা শেল আৰু শেলৰ বাহিৰে আৰু ভিতৰে বিশটা পুলি থাকে। মহিলাসকলে মনোমোহা ফুলাম গামোচা সুন্দৰকৈ বয়।

### স্কাপ (ইকুঁ-ইচা) ঃ

স্কাপ ঠাণ্ডাৰ দিনত পিন্ধা কাপোৰ। দেউৰীসমাজত স্কাপ ঘৰতে তৈয়াৰ কৰি নখ। ঠাণ্ডাৰ সময়ত পুৰুষ-মহিলাসকলে স্কাপ ব্যৱহাৰ কৰে। বেছি ভাগ সময়ত মহিলাসকলে স্কাপ ব্যৱহাৰ কৰে। বেছি ভাগ সময়ত মহিলাই স্কাপ ব্যৱহাৰ কৰে। দেউৰী মহিলাসকলে উল সূতাৰে স্কাপ তৈয়াৰ কৰে। দেউৰী মহিলাসকলে উল সূতাৰে স্কাপ তৈয়াৰ কৰে। স্কাপবোৰৰ নিৰ্দিষ্ট জোখ আছে। প্ৰতিখন স্কাপৰ দীঘল ছয় ফুট ইঞ্চি আৰু পুতল তিনি ফুট। নিৰ্দিষ্ট জোখৰ স্কাপ বনালে শকত বা ক্ষিণ মানুহে পিন্ধাত সুবিধা হয়। স্কাপত সুন্দৰ ফুল বচা হয়। এই সাজ কাপোৰত সম্পূৰ্ণ উল সূতা, এৰী সূতা ব্যৱহাৰ কৰা হয়।

### পৌকাণি (পবাচ ইচা) ঃ

দেউৰীসকল কৃষিজীৱি । খেতিৰ কামত পুৰুষ মহিলা সমানে নিয়োজিত হৈ থাকে। পথাৰত কাম কৰিবলৈ যাওঁতে কেঁচুৱা ল'ৰা-ছোৱালীবোৰৰ লগত নিবলগীয়া হয়। লগতে কাম-বন কৰোতেও কেঁচুৱাবোৰ লৈ ফুৰে। সৰহ সংখ্যক মাতৃয়ে কেঁচুৱাক বুকুচাত বান্ধি লয়। কেঁচুৱাক বুকুচাত বান্ধিবৰ বাবে ব্যৱহাৰ কৰা কাপোৰখনক পৌকাণি '১' বুলি কোৱা হয়। পৌকাণিখনৰ দীঘল ন-ফুট আৰু পুতল তিনি ফুট ছয় ইঞ্চি। কেঁচা আৰু পকোৱা সূতাৰে পৌকাণি বনোৱা হয়। পৌকাণি খন বগাৰ ওপৰিও বিভিন্ন ৰঙৰ তৈয়াৰ কৰে। পৌকাণি খনৰ দীঘল মুৰ দুটাত এক ইঞ্চিকৈ দুটা চেকেয়া (জিভা মুৰ) দিয়া হয়। চেকেয়া কেইটাৰ বাহিৰত ছয়টাকৈ মুঠ বাৰটা পুলি দিয়া হয়। পৌকাণিখনত ফুল বচা নহয়।



Head of the Dept. ... H.C.D.G. ... Nitaipukhuri, Sivas...

**খনীয়া কাপোৰ (ইচা বাগৰু)ঃ**

খনীয়া কাপোৰখন দেখিবলৈ অতি সুন্দৰ। বিশেষকৈ দহা-বিয়াতহে পুৰুষ মহিলাই খনীয়া কাপোৰ পিন্ধে। বিয়াৰ সময়ত দৰা কইনা আৰু দৰা ধৰীয়া, কইনা ধৰীয়াই খনীয়া কাপোৰ পৰিধান কৰে। খনীয়া কাপোৰখন দীঘল ওঠৰ ফুট আৰু পুতল তিনি ফুট ছয় ইঞ্চি। অতীততে চল্লিশ নম্বৰ জাপানী সূতাৰে দেউৰী সমাজত খনীয়া কাপোৰ বয়। দেউৰী মহিলাসকলে খনীয়া কাপোৰখনৰ এটা মুৰত ছয় ইঞ্চি মানৰ জ্যামিতি চৰ্তুভূজ আকাৰৰ খনীয়া ফুল বাচে। খনীয়া কাপোৰ খনৰ এটা আগত ফুল দিয়াৰ লগতে দুয়ো কাষে দুটাকৈ কাষৈ (সৰু ফুল) আৰু ছয়টাকৈ পুলি দিয়া হয়। খনীয়া কাপোৰখনৰ এটা মূৰত ফুল আৰু আনটো মূৰত চেকেয়া থাকে। চেকেয়াৰ দুয়োকাষে তিনিটাকৈ মুঠ ছয়টা পুলি থাকে। ইয়াৰ উপৰিও চেকেয়াৰ পৰা এক ইঞ্চি ব্যৱধানত দুটাকৈ মুঠ চাৰিটা পুলি থাকে। খনীয়া কাপোৰ পুতলৰ দুয়োমুৰে এটাকৈ মুঠ দুটা শেল থাকে। প্ৰতিটো শেলৰ ভিতৰত ফালে তিনিটাকৈ পুলি আৰু বাহিৰফালে দুটাকৈ পুলি খাকে। দেউৰী সমাজত দহাৰ সময়ত চাচৈ টানোতে পুৰুষ মহিলাই খনীয়া কাপোৰ পৰিধান কৰে। মৃত ব্যক্তিৰ ঘৰৰ বিবাহিত কোনোবা পোবোৱাৰীয়ে দহা কাম কাজবোৰৰ শেষত সন্ধিয়া পৰত খনীয়া কাপোৰ পৰিধান কৰি চাচৈ টানে'২'।

**দীঘল চোলা (জিমা)ঃ**

দেউৰী সমাজত এৰী পলু পোহাৰ নিয়ম প্ৰচলিত হৈ আহিছে। অতীততে দেউৰীসকলে চোলা নিজে তৈয়াৰ কৰিছিল। কাপোৰবোৰ চোকা সঁজুলিৰে কাটি হাতেৰে চিলাই কৰি লৈছিল। দীঘল চোলা বনাবলৈ প্ৰায় ছয় সাত কাপোৰ প্ৰয়োজন হৈছিল। ছয় হাত কাপোৰক দুভাঁজ কৰি, হাতেৰে চিলাই কৰি লোৱা চোলাটোক "ছয়হতীয়া" চোলা বুলি কয়। অতীততে শীতৰ পৰা নিয়ন্তণ পাবৰ বাবে "ছয় হতীয়া" চোলা দেউৰী পুৰুষসকলে পিন্ধিছিল। "ছয় হতীয়া" চোলাটো বৰ্তমান সময়ৰ দীঘল কামিজ চোলা দৰে। সাম্প্ৰতিক সময়ত দেউৰী সমাজত এৰী সূতাৰে হাত দীঘল আৰু হাত চুটী বোট চোলাৰ দৰে "ছয় হতীয়া' চোলা প্ৰস্তুত কৰিছে।

**মেখেলা (ইগু)ঃ**

ভিন্ ভিন্ কাম সকামত দেউৰী মহিলাই মেখেলা পৰিধান কৰা দেখা যায়। মেখেলা দেউৰী সমাজত মহিলাসকলে পিন্ধা সাজ পাৰ। দেউৰী মহিলাসকলে ৰং বিৰঙৰ মেখেলা বনাব জানে। গাভৰু ছোৱালীৰ বাবে তৈয়াৰ মেখেলাৰ জোখ হ'ল দীঘলে ছয় ফুট আৰু পুতলে ছয় ফুট। আনহাতে বোৱাৰীসকলৰ বাবে বোৱা মেখেলাৰ জোখ হ'ল দীঘল ন-ফুট আৰু পুতলে ছয় ফুট। দেউৰী সমাজত বোৱাৰীসকলে পানী গাঠিৰ পৰা বাউসীৰ তলৰ কাষলতি লৈখে পিন্ধে। সেয়েহে দেউৰী সমাজত বোৱাৰীসকলে পৰিধান কৰা মেখেলা যথেষ্ট দীঘল। মেখেলাবোৰ বহুতে দোৰপতি আৰু বাঁচেৰে দুবাৰকৈ ঢাহে। দুবাৰকৈ ঢাহি বোৱা মেখেলাখন ডাঠ হয় আৰু শৰীৰটো সম্পূৰ্ণভাৱে ঢাকি ৰাখে।

**চেলেং চাদৰ (ইমই ইচা)ঃ**

দেউৰী সমাজত চেলেং চাদৰখন সকাম নিকামত ব্যৱহাৰ কৰা হয়। চেলেং চাদৰখন ঘিউ ৰংঙৰ সুতাৰে বোৱা হয়। চেলেং চাদৰখন দীঘল (পাৰি) শেল হিচাবে বগা পকোৱা সূতা দিয়া হয়। চেলেং চাদৰখন ন-ফুট দীঘল আৰু পুতল তিনি ফুট ছয় ইঞ্চি বহল হয়। দেউৰী সমাজত চেলেং চাদৰখনত আগ কেইটাৰ দুটাৰ মূৰত ৰূপালী বা সোণালী ৰং সূতাৰ ফুল বচা হয়। ফুলৰ দুয়োকাষে দুটাকৈ পুলি দিয়া হয়। আগ কেইটাৰ দুয়োটা মুৰতে এক ইঞ্চি দূৰত্বত দুযোৰকৈ পুলি দিয়ে। চেলেং চাদৰখনৰ আশী নম্বৰৰ কেঁচা সূতাৰে আৰু ঘিউ ৰঙৰ জাপানি পকোৱা সূতাৰে বোৱা হয়। এই চেলেং চাদৰখন বেছিকৈ পুৰুষসকলে পৰিধান কৰা দেখা যায়। মঠ মন্দিৰৰ পূজাৰ পুৰোহিত আৰু দেওধনীয়ে বেছিকৈ চেলেং চাদৰখন ব্যৱহাৰ কৰা দেখা যায়।



Head of the Department ... H.C.D.G. College, Nitai Pukhuri, Sivasagar

**বৰ কাপোৰ (বৰকাকো) ঃ**

দেউৰী সমাজত অতীততে বৰ কাপোৰৰ বেছিকৈ ব্যৱহাৰ কৰা হৈছিল। বৰ কাপোৰখন ঠাণ্ডাৰ দিনত ঠাণ্ডা কাটিবৰ বাবে ব্যৱহাৰ কৰিছিল। দেউৰীসকলে বৰ কাপোৰখন ডাঙৰী পকোৱা আৰু ডাঙৰী কেঁচা সূতাৰে কৰে। বৰ কাপোৰখন বগাৰঙৰ সূতাৰে বোৱা হয়। বৰ কাপোৰখন ওঠৰ ফুট দীঘল আৰু চাৰিফুট ছয় ইঞ্চি বহলকৈ বোৱা হয়। বৰ কাপোৰখন দুজাপ কৰি ৰাতি শুৱতে গাত লোৱা হয়। বৰ্তমান দেউৰীসকলে বৰ কাপোৰৰ সলনি লেপ, কম্বল, ব্লেংকেট ইত্যাদি ব্যৱহাৰ কৰা দেখা যায়। দেউৰীসকলে বৰ কাপোৰখন অতীততে অত্যন্ত প্ৰয়োজনীয় বস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। এনেধৰণৰ কাপোৰ যথেষ্ট পৰিমাণে মজোত ৰাখিছিল।

**ৰিহা (ইচা লুগুৰু) ঃ**

দেউৰী সমাজত মহিলাসকলে দহা, বিয়া, গীত নৃত্য কৰাৰ সময়ত ৰিহা পৰিধান কৰা দেখা যায়। দেউৰী গাভৰুসকলে বিহুত ৰিহা ব্যৱহাৰ কৰে। ৰিহাখন দীঘলে বাৰফুট আৰু পুতলে দুইফুট হয়। আশী নম্বৰ পকোৱা মুগা আৰু নুনী সূতাৰেও ৰিহা বয়। ৰিহাখন মুগা ৰংঙৰ সূতাৰে বোৱা হয়। ৰিহাখনৰ মাজে মাজে বগা ৰংঙৰপকোৱা সূতাৰে ঘাই দিয়ে। ৰিহাখনৰ শেলটো (পাৰি) বাদীমা ৰঙৰ সূতাৰে লগোৱা হয়। শেলৰ বাহিৰে দুটা পুলি আৰু ভিতৰে তিনিটা পুলি দিয়া হয়। ৰিহাখনৰ দুকাষে কাষৈ দিয়ে। এক ইঞ্চিৰ মূৰে মূৰে তিনিটাকৈ জেলেপ দিয়ে। দেউৰীসমাজত মহিলাসকলে ৰিহাখনক আপুৰুগীয়া সম্পতি হিচাপে ব্যৱহাৰ কৰা দেখা যায়।

**এৰীচাদৰ (এৰী ইচা) ঃ**

দেউৰীসকলে এৰীচাদৰক বেছিকৈ সমাদৰ কৰা দেখা যায়। এৰীচাদৰখন ঘৰতে তৈয়াৰ কৰি পিন্ধা হয়। মহিলাসকলে এৰীপলু ঘৰতে পুহি তাৰ লেতাবোৰ টাকুৰিত কাটি লৈ সূতা প্ৰস্তুত কৰে। এৰী চাদৰখন ন-ফুট দীঘল আৰু চাৰি ফুট বহলকৈ বোৱা হয়। এৰী চাদৰখন পুৰুষসকলে দেউৰীসকলে এৰী চেলেং বুলি কোৱা হয়।

**টকয়া (গাতিগি) ঃ**

দেউৰী সমাজত টকয়াখন মহিলাসকলে পৰিধান কৰে। দেউৰী মহিলাসকলে মূৰত ওৰণি লোৱাৰ পৰিৱতে সৰু বৰ লোকৰ সন্মানৰ অৰ্থে এই টকয়াখন মূৰৰ চুলিখিনিক পাগুৰিৰ দৰে মেৰিয়াই ৰাখে। দেউৰী সমাজৰ মহিলাসকলে বৰজনা, শহুৰ শাহুৰক সন্মান জনাবলৈ টকয়াখন মূৰত বান্ধে। ইয়াৰোপৰি মহিলাসকলে কাম-বন  কৰোঁতে মূৰৰ ধুলি-মাকতি সহজে সোমাব নোৱাৰিবৰ বাবেও টকয়া'ত' ব্যৱহাৰ কৰে। দেউৰী মহিলাই টকমা কেঁচা সূতা বা পকোৱা সূতাৰে বয়।

**বুকুত মৰা (বাইগা) ঃ**

দেউৰী সমাজত গাভৰুসকলে বুকুত পিন্ধা নিয়ম আছে। দেউৰী সমাজত উৎসৱ -পাৰ্বনতসবা বহাগ বিহুৰ পিছত বুকুত পিন্ধোৱাৰ নিয়ম আছে। চাৰি-পাঁচ বছৰ মানৰ মূৰে মূৰে বুকুত পিন্ধোৱাৰ নিয়ম কৰা হয়। বুকুত মৰা কাপোৰ বোৰ হ'ল কঁকাল বন্ধা আৰু মেখেলা। গতিকে বুকুত মৰা কাপোৰৰ জোখ মেখেলা আৰু কঁকাল বন্ধাৰ সৈতে একে। এই কাপোৰমোৰৰ ৰং সাধাৰণতে বগা।

**পাগুৰি (জেমা)ঃ**

দেউৰীসকলে দুই প্ৰকাৰৰ পাগুৰি মাৰে। বিয়াৰ সময়ত দৰা-কইনাই এক বিশেষ প্ৰকাৰৰ পাগুৰি মাৰে। এই পাগুৰিত ব্যৱহাৰ কৰা কাপোৰখন দীঘল ন-ফুট আৰু পুতল এক ফুট। পুতলটোক দুভাজ কৰি মূৰত পাক মাৰি লয়। পাওৰিটো দেখিবলৈ নাওখনৰ টিংটোৰ  দৰে। কপালৰ ফালে পাগুৰিটো অলপ জোঙা আৰু ওপৰলৈ দাং খাই থাকে। চল্লিশ নম্বৰ জাপানী পকোৱাৰ পাতল মুগা ৰংঙৰ সূতাৰে বিয়াৰ সময়ত দৰা আৰু দৰা ধৰীয়াই পিন্ধা পাগুৰি বোৱা হয়। পাগুৰিত ফুল বচা নহয়। দীঘল মূৰ দুটাত চেকেয়া আৰু পুলি থাকে। বিয়াত ব্যৱহাৰ কৰা পাগুৰি কাপোৰত চেকেয়া আৰু পুলিত ৰূপালী বংঙৰ গুণা সূতাৰে বোৱা হয়।

**কঁকাল বন্ধা (জকাচ্চিকা) ঃ**

কঁকাল বন্ধা'৪' দেউৰী মহিলাসকলে পৰিধান কৰা বস্ত্ৰ। টেঙাপনীয়া আৰু বৰগঞা ফৈদ দুটাই বগা ৰঙৰ কঁকালবন্ধা আৰু ডিবঙীয়া ফৈদৰ লোকে ৰঙিন আৰু বগা ৰঙৰ ব্যৱহাৰ কৰে। কঁকালবন্ধা নিৰ্দিষ্ট জোখত তৈয়াৰ কৰা হয়। কঁকাল বন্ধাত গোটা বন্ধাত গোটা ফুল তোলা হয়। ফুলৰ পাৰিত দুয়োকাষে আঠটাকৈ মুঠ যোল্লটা পুলি থাকে। দীঘল পাঁচ ছয় ইঞ্চি আৰু পুতলে তিনি ফুটকৈ কঁকাল বন্ধা তৈয়াৰ কৰা হয়। কঁকাল বন্ঘাৰ পুতলৰ দুয়োকাষে দুই ইঞ্চি জোখৰ এটাকৈ মুঠ দুটা শেল থাকে। শেল কেইটাৰ ভিতৰত ফালে তিনিটাকৈ মুঠ ছয়টা পুলি থাকে। কঁকালবন্ধাৰ ফুল তোলোতে ডি এন চি সূতা ব্যৱহাৰ কৰা হয়। দেউৰীসমাজত মহিলাসকলে বোৱাৰী জীৱন আৰম্ভ কৰাৰ দিনাখনৰ পৰাই কঁকালবন্ধা পৰিধান কৰাটো বাধ্যতামূলক। মেখেলাখনৰ ওপৰত ভৰিৰ পৰা কঁকাললৈকে কঁকাল বন্ধাখন মাৰে। দেউৰী মহিলাসকলে সকাম নিকামত বগা ৰঙৰ মেখেলাআৰু কঁকাল বন্ধা পৰিধান কৰাতো বাধ্যতামূলক।

**১.২ দেউৰীসকলৰ বস্ত্ৰ তৈয়াৰ কৰা সঁজুলি ঃ**

দেউৰীসমাজত বস্ত্ৰ তৈয়াৰ কৰিবৰ বাবে বাঁহ, কাঠ আৰু বেতেৰে বলোৱা কিছুমানসঁজুলি ব্যৱহাৰ কৰা দেখা যায়। যেনে - টোলোঠা, দোৰপতি, ৰাঁচ, শালি, চিৰী, জখলা, চালিমাৰি, গৰকা, ব-চুঙা, কুকি, কৰণি, মহুৰা, মাকো, যতৰ, কাকৈ, বৰ চেৰেকী, সৰু চেৰেকী, উঘা, লেটাই, বিহা খুটি, তাতৰ খুটি, শলামাৰি, ডাংজৰী আৰু ডঙাজৰী ইত্যাদি। দেউৰীসমাজত দেখা পৰম্পৰাগত নীতি নিয়মবোৰ জনগোষ্ঠীটোৱে ধৰি ৰাখিব বিচাৰিছে যদিও সময়ৰ গতিত ইয়াৰ গুৰুত্ব কমিব ধৰিছে। বৰ্তমান দেউৰীসমাজত উৎসৱ-পাৰ্বন পালন কৰাৰ ক্ষেত্ৰত যি পৰম্পৰাগত সাজপাৰ পৰিধান কৰিছিল তাৰ ঠাইত আধুনিক সাজ-পাৰ যেনে- লংপেণ্ট, হাফপেণ্ট, চুৰিদাৰ, ফৰক আদি পৰিধান কৰিবলৈ লৈছে। ডেকা-গাভৰুৰ লগতে বিবাহিত পুৰুষ-মহিলাসকলেও আধুনিক সাজ-পাৰ পৰিধান কৰা দেখা গৈছে।

**১.৩ দেউৰীসকলৰ আ-অলংকাৰ ঃ**

ভাল লগা বা নিজকে সুন্দকৈ সজাবলৈ ব্যৱহাৰ কৰা সঁজুলি বিধেই হৈছে অলংকাৰ। দেউৰীসকল জনজাতিয় লোক। বৰ্তমান ভাৰতীয় সংবিধানে দেউৰীসকলক অনুসূচীত ভৈয়াম জনজাতি বুলি অভিহিত কৰিছে। দেউৰীসকলৰ মাজত জনজাতিৰ স্বকীয় বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। সেয়েহে দেউৰীসকলৰ মাজত জনজাতিয় আৰ্হিৰ আ-অলংকাৰ পৰিধান কৰা দেখা যায়। দেউৰীসকলে শৰীৰৰ বিভিন্ন ঠাইত খাপ খোৱাই অলংকাৰ পৰিধান কৰে। তেওঁলোকৰ পুৰুষ মহিলাসকলে ভিন্ন উৎসৱ-পাৰ্বন আদিত ভিন্ন আ-অলংকাৰ পৰিধান কৰাটো এক পৰম্পৰা বুলিয়েই ক'ব পাৰি। তলত সেইবোৰ বহলাই লিখা হ'ল -

**সাঁচমৰা ঃ**

দেউৰীসমাজৰ মহিলাসকলে হাতত পৰিধান কৰা অলংকাবোৰ সাঁচমৰা'৫' বা সচৰুৱা (গামখাৰু) মুঠিখাৰু, গোটা খাৰু পটীয়া আৰু মিনা কৰা খাৰু ইত্যাদি। সাঁমৰা দেউৰী মহিলাসকলে বিশেষভাৱে পৰিধান কৰা দেখা যায়। এইবিধ খাৰু ৰূপ ধাতুৰ লগত লা মিহলি কৰি বনোৱা হয়। ইয়াৰ দৈৰ্ঘ্য প্ৰায় আঢ়ৈ ইঞ্চি। এই অলংকাৰৰ ওপৰৰ অংশত বিভিন্ন ধৰণৰ ফুল কটা থাকে আৰু ভিতৰৰ অংশ মিহি মিহি আৰু ফুল কটা অংশৰ ভিতৰ ভিতৰ ভাগত লা সোমোৱাই দিয়া হয়। এইবিধ খাৰুৰ এটা মূৰ ডাঙৰ আৰু আনটো মূৰ কিঞ্চিৎ সৰু। সাঁচমৰা যোৰ দীঘল হোৱাৰ বাবে হাতৰ মুঠিত সোমোৱাবলৈ অসুবিধা হয়। সেইবাবে সাঁমৰা দুভাগ কৰি হাতত সোমোৱোবৰ বাবে দুই মূৰৰ এটাকৈ সৰু ফুটা ৰখা হয়। সেই ফুটা দুটাক লগলগাবলৈ এডাল ৰূপৰ বা তামৰ খৰিকা ব্যৱহাৰ কৰা হয়। সাঁচমৰাৰ গাম্ভীৰ্য্যতা আনবোৰ খাৰুতকৈ সুকীয়া।

**মুঠিখাৰু, গোটা খাৰু ঃ**

মুঠি খাৰু, গোটা খাৰু আদি দেউৰী মহিলাসকলে সকলো সময়তে পৰিধান কৰে বুলি কলে বঢ়াই কোৱা নহয়। এইবিধ খাৰু বিশেষকৈ বিবাহিত দেউৰী মহিলাসকলে পৰিধান কৰা দেখা যায়। এই খাৰু কেইবিধকো ৰূপ ধাতুৰপৰা তৈয়াৰ কৰা হয়। এই খাৰু কেইবিধৰ ভিতৰটো লা ভৰাই দিয়া হয়। ৰূপৰ খাৰু কোমল হোৱাৰ বাবে সোণাৰিয়ে খাৰুৰ ভিতৰত লা সোমোৱাই মজবুত কৰি দিয়ে। খাৰুৰ মুৰ দুটাত একোটা সুন্দৰ টুপী থাকে।

**পটীয়াখাৰু আৰু মিনা কৰা খাৰু ঃ**

দেউৰী সমাজত মহিলাসকলে পৰিধান কৰা আন দুবিধ খাৰু হ'ল পটীয়া খাৰু আৰু মিনা কৰা খাৰু। এইকেইবিধ খাৰু দেউৰী সমাজত বিবাহিত আৰু অবিবাহিত মহিলাসকলে সকলো সময়তে পৰিধান কৰে। পটীয়া খাৰু আৰু মিনা কৰা খাৰু সোণ আৰু ৰূপ দুয়োবিধ ধাতুৰপৰাই তৈয়াৰ কৰা হয়। পটীয়া খাৰুৰ ওপৰৰ অংশ উকা। মিনাখাৰুৰ ওপৰৰ অংশত চিকমিকনি থকা ভিন্ন ধৰণৰ বাখৰ লগোৱা হয়।

**ডিঙিত পিন্ধা অলংকাৰ ঃ**

**মাদলী ঃ**

মাদলী হ'ল মণিডালৰ লগতওলমি থকা এটা ঢোলটোৰ দৰে। মাদলীটো বিশেষকৈ সোণ ধাতুৰ পৰা বনোৱা হয়। মাদলীৰ ওপৰৰ অংশত চিক্‌মিকাই থকা বাখৰ লগোৱা হয়। মালাডাল প্লাষ্টিক ৰচীত ৰঙা, নীলা, কলা, বগা আৰু সোণালী ৰঙৰ সৰু-ডাঙৰ মণি মিহলি কৰি বনোৱা হয়। বিভিন্ন উৎসৱ পাৰ্বনত দেউৰী মহিলাসকলে মাদলী ব্যৱহাৰ কৰে । মাদলী মালাই বিহু আৰু বিয়াৰ সময়ত বিশেষ সমাদৰ পায়।

**ৰূপৰ টকা মণি ঃ**

দেউৰী সকলে মহিলাই ব্যৱহাৰ কৰা আন এবিধ অলংকাৰ হ'ল ৰূপৰ টকা মণি। এই মালাডাল ৰূপৰ পইচাৰ কাষৰ অংশত ৰূপৰে নিৰ্মিত সৰু ৰিং এটা লগোৱা হয়। এই ৰিংটোৰেদি প্লাষ্টিক ৰচীত বিভিন্ন ৰঙৰ মণি মিহলি কৰি তৈয়াৰ কৰা হয়। ৰূপৰ টকা বিবাহিত মহিলাইহে পৰিধান কৰে। দেউৰীসকলে এই মালাক গলপতা মালা বুলিও কয়।

**জোনবিৰি ঃ**

দেউৰী সমাজৰ মহিলাসকলৰ মাজত ব্যৱহৃত মালা হ'ল জোনবিৰি। জোনবিৰি সচৰাচৰ সোণ ধাতুৰে তৈয়াৰ কৰা হয়। জোন বিৰিটোৰ ওপৰৰ অংশত সৰু বগা, ৰঙা ক'লা ৰঙৰ মিনা কৰা হয়। জোনবিৰিৰ মালাডাল সাজিবৰ কাৰণে এডাল ৰচী ব্যৱহাৰ কৰা হয়। এই মালা দেউৰী মহিলাসকলে বিশেষকৈ বিয়া, দহা, ৰাজহুৱা সভা আদিত পৰিধান কৰা দেখা যায়।

**সুৱাল মণি ঃ**

দেউৰী সমাজত প্ৰচলিত আন এবিধ অলংকাৰ হ'ল সুৱাল মণি। এই মালাডাল সোণ ধাতুৰপৰা তৈয়াৰ কৰা হয়। অৱশ্যে মালাডালৰ সৰহ ভাগ ঠাইত ৰঙা আৰু ক'লা সৰু সৰু মণি মিহলি কৰি ৰচী কেইডালৰ মাজেদি পাৰ কৰি দিয়া হয়। ইয়াৰ উপৰিও মালাডালত মুকুতা গাঁঠি দিয়া হয়।

**চেংমণি ঃ**

সৰু সৰু মণিৰে বনাই লোৱা মালাক চেংমণি বুলি কোৱা হয়। চেংমণি মালা সাধাৰণ ধৰণৰ। ইয়াক মহিলাসকলে নিয়মীয়াভাৱে ব্যৱহাৰ কৰে।

**দুগদুগী ঃ**

দেউৰী মহিলাই ব্যৱহাৰ কৰা আনবিধ মণি হ'ল দুগদুগী। এইবিধ অলংকাৰ মলাচাকি আকাৰৰ এটা ডাঙৰ আৰু বাকিবোৰ সৰু কৰি মালাডালত গাঠি তৈয়াৰ কৰা হয়। এই মালাডালটো ভিন্ন ৰঙৰ মণিৰ মিনা কৰা হয়।

**কেৰুমণি মালা ঃ**

ঠাইত দেখিবলৈ ধুনীয়া আৰু ৰমৰ লগা অলংকাৰবিধ ঙ'ল কেৰুমণি। এই মালাডাল সোণ ধাতুৰে তৈয়াৰ কৰা হয়। সচৰাচৰ ই দেখিবলৈ ঘুৰণীয়া কাঁহি দৰে। কেৰুমণিৰ মাজত বিশেষভাৱে মুকুতা মণি লগাই দিয়ে। এই মণিডাল সোণৰ পৰা তৈয়াৰ কৰা হয়।

**ঢোলবিৰি ঃ**

ঢোলবিৰিটো দেউৰী মহিলাসকলে পৰিধান কৰা আন এবিধ অলংকাৰ। ঢোলবিৰিটোৰ মাজৰ অংশ ডাঙৰ আৰু দুয়োটা



Head of ... H.C.D.G...

মূৰ সৰু। এই হগনা সোণেৰে তৈয়াৰ কৰা হয় যদিও ইয়াৰ ওপৰত অংশত ভিন্ন ৰঙৰ মণিৰে মিনা কৰোৱা হয়।

**কাণত পিন্ধা অলংকাৰ ঃ**

দেউৰী সমাজত সৌন্দৰ্য্য চৰ্চা ক্ষেত্ৰত কাণ ফুলিও অন্যতম অলংকাৰ। কাণফুলি সচৰাচৰ তিনিধৰণৰ। এবিধ মুৰটো ডাঙৰ আৰু পিছফালটো বহল। আনবিধ মূৰটো ডাঙৰ যদিও পিছফালে বুটাম থাকে। আন এবিধ হৈছে পাত আৰু টিপ মৰা। চুটি থুৰীয়া, দীঘল থুৰীয়া, কেৰু, জোনবিৰি থুৰীয়া ইত্যাদি মহিলা সকলে পিন্ধা দেখা যায়।

**থুৰীয়া ঃ**

মহিলাসকলৰ বাবে থুৰীয়া অতিকৈ আদৰৰ। সচৰাচৰ থুৰীয়া বিবাহিত মহিলাহে পৰিধান কৰে। দেউৰী সমাজতো বোৱাৰীসকলে অতি আদৰেৰে থুৰীয়া ব্যৱহাৰ কৰা দেখা যায়। থুৰীয়া সোণ, ৰূপ, আৰু ভিন্ন ৰঙৰ বাসৰে তৈয়াৰ কৰা হয়। এই অলংকাৰ দুই ধৰণৰ দেখা যায়। দীঘল থুৰীয়া আৰু চুটি থুৰীয়া। থুৰীয়া দেখিবলৈ লংগুটিৰ দৰে। থুৰীয়াৰ সন্মুখভাগ ডাঙৰ আৰু পিছফালটো ঠাৰিৰ দৰে। দীঘল ঠাৰি লগা থুৰীয়াত ধীঘল থুৰীয়া বুলি কোৱা হয়। এই বিধ থুৰীয়াৰ ঠাৰিডাল সমান, শকত আৰু গোটা। ঠাৰিডালৰ ভিতৰত লং ভৰাই দিয়া হয়। ঠিক তেনেদৰে চুটি থুৰীয়াৰ নালডাল চুটি। চুটি থুৰীয়াৰ সন্মুখৰ ফুলপাহৰ পৰা কাষত আৰু পিছৰ অংশ কিঞ্চিত শকত। দুযোবিধ থুৰীয়াৰ ওপৰ ভাগত ৰংবিধৰ মিনা কৰোৱা থাকে।

**জোনবিৰি থুৰীয়া ঃ**

মহিলাসকলৰ কাণত পৰিধান কৰা আন এবিধ অলংকাৰ হ'ল জোনবিৰি থুৰীয়া। জোনবিৰি থুৰীয়া সোণ, ৰূপ আৰু ভিন্ন ৰঙৰ বাখৰ দি তৈয়াৰ কৰা হয়। জোনবিৰি থুৰীয়া দেখিবলৈ জোনটোৰ দৰে। এই গহনাত এডাল ঠাৰি দিয়া হয়। জোনবিৰি আৰু ঠাৰিডাল একে ধাতুৰে তৈয়াৰ কৰা হয়। জোন বিৰিৰপৰা লাগি অহা ঠাৰিডাল লাগি অহা ঠাৰিডালৰ মূৰত সৰু আৰু চুটি গোটা ঠাৰি লগোৱা হয়। গোটা আৰু চুটি ঠাৰিডাল কাণৰ লতিৰ ফুটাত সোমোৱায় দি পিছফালৰ পৰা বুটাম এটা লগোৱা হয়। বুটামটো টান হৈ থাকিবলৈ জোনবিৰি থুৰীয়া সোলোকি নপৰে।

**কেৰু ঃ**

দেউৰী সমাজত ব্যৱহৃত আন এক প্ৰকাৰৰ অলংকাৰ হ'ল কেৰু। সোণ, ৰূপ আৰু ভিন্ন ৰঙৰ বাখৰ দি কেৰু তৈয়াৰ কৰা হয়। দেউৰী সমাজত বোৱাৰী আৰু ছোৱালী উভয়ে কেৰু পৰিধান কৰে। অৱশ্যে এইখিনিতে উল্লেখ কৰিব লাগিব যে কেৰু আকাৰৰ ওপৰত ভিত্তি কৰি বোৱাৰী আৰু গাভৰুৱে পৰিধান কৰে। বোৱাৰীসকলে পৰিধান কৰা কেৰুৰ গঠন প্ৰণালী ডাঙৰ। আনহাতে গাভৰুৱে পিন্ধা কেৰু অতি সৰু। দেউৰী মহিলাসকলে উৎসৱ পাৰ্ব্বন আদি উদ্‌যাপনৰসময়ত কেৰু পৰিধান কৰাৰ দেখা যায়। কেৰু দেউৰী সমাজত অতীতৰে পৰা বৰ্তমানেও ব্যৱহাৰ কৰা পৰিলক্ষিত হয়।

**জাংফাই ঃ**

মহিলাসকলৰ অতি আদৰৰ আন এবিধ অলংকাৰ হ'ল জাংফাই। এইবিধ অলংকাৰ দেউৰী সমাজত যথেষ্ট পৰিমাণৰ ব্যৱহাৰ হোৱা দেখা যায়। জাংফাই অলংকাৰ তৈয়াৰ কৰিবলৈ সোণ, ৰূপ আৰু ৰঙ বিৰঙৰ বাখৰ ব্যৱহাৰ কৰা হয়। জাংফাইৰ আকাৰৰ ওপৰত মন কৰিলে দেখা যায় যে ইয়াৰ কেইবাটাও ভাগ আছে। সেই ভাগকেইটা হ'ল দীঘল জাংফাই মিনা কৰা জাংফাই, জেঠী নেজীয়া জাং ফাই'৬' ইত্যাদি।

**সিদ্ধান্ত ঃ**

সভ্যতাৰ অগ্ৰগতিৰ লগে লগে মানুহৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হৈছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ সাজ পাৰ, আ-অলংকাৰ ইত্যাদিৰ লগতে সাংস্কৃতিক দিশতো যথেষ্ট পৰিৱৰ্তন আহি পৰিছে। কটিয়ৰী গাঁৱৰ দেউৰীসকলৰ সাজ পাৰ আৰু আ-অলংকাৰ বিষয়ে আলোচনা কৰাৰ অন্তত কিছুমান সিদ্ধান্তত উপনীত হ'ব পাৰি। সেইবোৰ যেনে ঃ—

(ক) দেউৰী সকলৰ বাবে সাজ পাৰৰ সম্পূৰ্ণ নিজস্বতা দেখা যায়। ঘৰুৱা পদ্ধতিৰ ব্যৱহাৰ কৰি প্ৰস্তুত কৰা বস্ত্ৰহে ব্যৱহাৰ কৰে।

(খ) দেউৰী সকলে তেওঁলোকৰ উৎসৱ পাৰ্বণ, ৰীতি-নীতি ইত্যাদিৰ লগত মিলাকৈ সাজ পাৰ আৰু আ-অলংকাৰ পিন্ধা দেখা যায়।

(গ) শিক্ষা তথা বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে তেওঁলোকে বস্ত্ৰ প্ৰস্তুত তথা আ-অলংকাৰ পৰিধানৰ ক্ষেত্ৰত আধুনিকতা পৰিলক্ষিত হৈছে। দুই এটা বাহিৰা সামগ্ৰী ব্যৱহাৰ কৰা দেখা গৈছে।

বৰ্তমান যুগটো বিশ্বায়নৰ যুগ। এই সময়ত নিজকে খাপ খুৱাই চলিবৰ বাবে দেউৰী সকলৰ এই সাজ আৰু আ-অলংকাৰ পৰিৱৰ্তন আহিছে। তথাপি কিন্তু কটিয়ৰী গাঁৰৰ দেউৰীসকলে নিজস্বতা বিলাক এৰি নিদি এতিয়াও পৰম্পৰা ৰক্ষা কৰি অহা দেখা গৈছে।

**২.০ উপসংহাৰঃ**

দেউৰী সমাজত দেখা পৰম্পৰাগত নীতি নিয়মবোৰ জনগোষ্ঠীটোৱে ধৰি ৰাখিব বিচাৰিছে যদিও সময়ৰ গতিত লাহে লাহে ইয়াৰ গুৰুত্ব কমিব ধৰিছে। বৰ্তমান ভিন্ন প্ৰকাৰৰ সামাজিক প্ৰক্ৰিয়া যেনে - আধুনিকীকৰণ, উদ্যোগীকৰণ, নগৰীকৰণ, গোলকীকৰণ আদিয়ে দেউৰী সমাজবোৰটো কিছু পৰিৱৰ্তন আনিছে। দেখা গৈছে যে বৰ্তমান সময়ত দেউৰী সমাজত সাজ-পাৰ তৈয়াৰ আৰু পৰিধানৰ ক্ষেত্ৰত নতুনত্ব আহিছে।

ইয়াৰোপৰি আ-অলংকাৰ পিন্ধনৰ ক্ষেত্ৰতো বিভিন্ন পৰিৱৰ্তন দেখা গৈছে। পশ্চিমীয়া সংস্কৃতি প্ৰভাৱ পৰা ফলত বৰ্তমান দেউৰী সমাজত পুৰণি আ-অলংকাৰ সমূহ ব্যৱহাৰৰ ক্ষেত্ৰত আৰু প্ৰস্তুতৰ ক্ষেত্ৰটো যথেষ্ট পৰিৱৰ্তন দেখা গৈছে।

মুঠৰ ওপৰত ক'বলৈ গ'লে দেউৰীসকলৰ সাজ-পাৰ প্ৰস্তুত আৰু পৰিধান, আ-অলংকাৰ প্ৰস্তুত কৰা লগতে পৰিধান কৰাৰ ক্ষেত্ৰত সময়ৰ পৰিৱৰ্তনৰ লগে লগে এইবিলাকৰ ক্ষেত্ৰটো নতুনত্ব দেখিবলৈ পোৱা গৈছে।

**৪.০ প্ৰসংগ সূত্ৰঃ-**

| | লেখক | গ্ৰন্থ নাম | পৃষ্ঠা |
|---|---|---|---|
| ১। পৌকাণি | ক্ষীৰোদ দেউৰী | জীৱন ধাৰণৰ প্ৰণালী অতীত আৰু বৰ্তমান | ৭৭ |
| ২। 'চাচৈ টানে' | ক্ষীৰোদ দেউৰী | জীৱন ধাৰণৰ প্ৰণালী অতীত আৰু বৰ্তমান | ৮৩ |
| ৩। টকয়া | ক্ষীৰোদ দেউৰী | জীৱন ধাৰণৰ প্ৰণালী অতীত আৰু বৰ্তমান | ৮৫ |
| ৪। কঁকাল বন্ধা | ক্ষীৰোদ দেউৰী | জীৱন ধাৰণৰ প্ৰণালী অতীত আৰু বৰ্তমান | ৭৯ |
| ৫। সাজমৰা | ক্ষীৰোদ দেউৰী | জীৱন ধাৰণৰ প্ৰণালী অতীত আৰু বৰ্তমান | ২৩৩ |
| ৬। জাংফাই | ক্ষীৰোদ দেউৰী | জীৱন ধাৰণৰ প্ৰণালী অতীত আৰু বৰ্তমান | ২৪২ |
| ৭। বাইগা | ক্ষীৰোদ দেউৰী | জীৱন ধাৰণৰ প্ৰণালী অতীত আৰু বৰ্তমান | ৮৬ |

**৫.০ গ্ৰন্থপঞ্জী**

১। ডেকা বেজবৰুৱা, ড° পল্লৱী ঃ অসমৰ জনগোষ্ঠীয় লোকসাহিত্য
প্ৰকাশক ঃ অসমীয়া বিভাগ ডিব্ৰুগড় বিশ্ববিদ্যালয়
প্ৰথম প্ৰকাশ ঃ মাৰ্চ ২০০৯

২। দেউৰী, ক্ষীৰুদ ঃ দেউৰী সকলৰ জীৱন ধাৰণ প্ৰণালী (অতীত আৰু বৰ্তমান)

## তথ্যদাতাৰ তালিকা

| ক্ৰমিক নং | নাম | বয়স | গাওঁ অঞ্চল | বৃত্তি | ফোন নং |
|---|---|---|---|---|---|
| ১ | মাধৱজ্যোতি দেউৰী | ৬৫ | কটিয়ৰী গাঁও | শিক্ষক | ৮০০০৭৬১৯৫০ |
| ২ | সূৰ্য দেউৰী | ৭০ | কটিয়ৰী গাঁও | গাওঁবুঢ়া | ৮০০২৬৫৭২৭৯ |
| ৩ | ইন্দিৰা দেউৰী | ৫২ | কটিয়ৰী গাঁও | গৃহিণী | ৮৮২২৮৭৯১৮৭ |
| ৪ | দিম্পী দেউৰী | ২৫ | কটিয়ৰী গাঁও | ছাত্ৰী | ৮০০৩০৬৮৬৯৪ |

## অলোকচিত্ৰ সমূহ



ককাল বন্ধা



গামোচা



মেখেলা



চুৰিয়া